Regional Language (Assamese)

**কিদৰে আবেদন কৰিব- অনলাইন আবেদন প্ৰক্ৰিয়া**

(1)প্ৰাৰ্থীগৰাকীৰ ম'বাইল নম্বৰ আধাৰৰ সৈতে সংযোজিত হৈ থকাটো আৱশ্যক যিহেতু সেই নম্বৰটো ওৱান টাইম পাছৱৰ্ডৰ বাবে ব্যৱহৃত হ'ব।

(2) পৰীক্ষাৰ দিনা বৈধতাকৰণৰ বাবে ই-আধাৰ আৰু অফলাইন আধাৰ এক্স এম এল ডাউনলোড কৰাৰ পূৰ্বে প্ৰাৰ্থীয়ে আধাৰত তেওঁৰ শেহতীয়া ফটোগ্ৰাফ উন্নীত কৰাটো আৱশ্যক৷

(3) প্ৰাৰ্থীয়ে শেহতীয়া ফটোগ্ৰাফৰ সৈতে https://eaadhaar.uidai.gov.inৰ পৰা ডাউনলোড কৰা ই-আধাৰৰ শেহতীয়া কপি অথবা আধাৰ পত্ৰ তথা প্ৰৱেশ পত্ৰ বৈধতাকৰণৰ বাবে লগত কঢ়িয়াই অনাটো আৱশ্যক৷ যদি কোনো ক্ষেত্ৰত প্ৰৱেশ পত্ৰ উপলব্ধ নাথাকে অথবা ই-আধাৰ/আধাৰ পত্ৰত থকা ফটোৰ সৈতে প্ৰাৰ্থীৰ বৈসাদৃশ্য পৰিলক্ষিত হয় তেন্তে তেওঁক অবৈধ ঘোষণা কৰা হ'ব৷

(4) নিম্নোক্ত লিংকৰ পৰা ''অফলাইন আধাৰ এক্স এম এল ফাইল'' ডাউনলোড কৰক আৰু আপোনাৰ পচন্দ অনুসৰি ''কোড বিনিময়'' বাচনি কৰক-

https://resident.uidai.gov.in/offlineaadhaar

(5)অফলাইন এক্সএমএল ফাইল আপলোড কৰি ''নতুন ব্যৱহাৰকাৰী'' সৃষ্টি কৰক আৰু https://uidai.nseitexams.com/UIDAI/LoginAction.action ত বিনিময় কোড, ভাৰ্চুৱেল আইডি আৰু আধাৰ অনুসাৰে ম'বাইল নম্বৰ প্ৰদান কৰক।

(6)অফলাইন আধাৰ এক্সএমএল ফাইল আৰু প্ৰাৰ্থীৰ আধাৰৰ সৈতে পঞ্জীকৃত ম'বাইল নম্বৰৰ সফল বৈধতাকৰণ হোৱাৰ পিছত প্ৰাৰ্থীৰ ম'বাইল নম্বৰলৈ এটা ''অটিপি'' প্ৰেৰণ কৰা হয় যাতে তেওঁৰ পঞ্জীয়ন আৰু এনএছইআইটি লিমিটেডক প্ৰাৰ্থীগৰাকীৰ অফলাইন আধাৰ তথ্য ব্যৱহাৰৰ সন্মতি নিশ্চিত কৰা হয়।

(7)প্ৰাৰ্থীগৰাকীৰ ম'বাইল নম্বৰ আৰু ইমেইল আইডিলৈ পঞ্জীয়ন আইডি আৰু ডিফল্ট পাছৱৰ্ড প্ৰেৰণ কৰা হয়। প্ৰথমবাৰ লগইনত ডিফল্ট পাছৱৰ্ড পৰিৱৰ্তন কৰিব লাগিব। প্ৰাৰ্থীগৰাকীয়ে স্বীকৃতিকৰণ পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ তথা এনএছইআইটি পঞ্জীয়ন প'ৰ্টেলত নিজৰ সবিশেষ প্ৰত্যক্ষ কৰিবলৈ নিজৰ পঞ্জীয়ন আইজি আৰু পাছৱৰ্ড মনত ৰখাটো আৱশ্যক।

(8)পঞ্জীয়ন আইডি আৰু নতুন পাছৱৰ্ড ব্যৱহাৰ কৰি লগইন কৰাৰ পিছত প্ৰাৰ্থীগৰাকীয়ে আবেদন পত্ৰত পূৰ্বৰে পৰা পূৰণ কৰি থোৱা ''**অফলাইন আধাৰ সবিশেষ**'' প্ৰত্যক্ষ কৰিবলৈ পাব। প্ৰাৰ্থীগৰাকীয়ে তেওঁৰ শৈক্ষিক অৰ্হতা, স্বীকৃতিকৰণৰ ভূমিকা, অগ্ৰাধিকাৰযোগ্য পৰীক্ষণ কেন্দ্ৰ, পঞ্জীয়ন এজেন্সী কোড বাচনি কৰি আবেদন পত্ৰ প্ৰদান কৰিব লাগিব।

(9)আবেদন পত্ৰ প্ৰদানৰ পিছত প্ৰাৰ্থীয়ে দুটা বিকল্পৰ সৈতে ''পৰিশোধ টেব''ত ক্লিক কৰিব লাগিব-

(ক)অনলাইন পে'মেন্ট (নতুন ব্যৱহাৰকাৰীৰ বাবে প্ৰযোজ্য)

(খ)ইতিমধ্যেই পৰিশোধ কৰা হৈছে (সেইসকল প্ৰাৰ্থীৰ বাবে প্ৰযোজ্য যিয়ে মাচুল পৰিশোধ কৰিছে কিন্তু মাচুলৰ বৈধ সময় অৰ্থাৎ ১৮০ দিন পৰ্যন্ত পৰীক্ষাৰ বাবে সূচীভুক্ত হোৱা নাই আৰু যিকোনো পঞ্জীয়ন এজেন্সী/ৰেজিষ্ট্ৰাৰে কৰা সকলো বৈধ অনলাইন বাল্ক পৰিশোধৰ বাবে)

(10) এবাৰ পৰিশোধ সফলতাৰে গ্ৰহণ হোৱাৰ পিছত প্ৰাৰ্থীয়ে প্ৰকৃত স্বীকৃতিকৰণ পৰীক্ষা বুজি পাবলৈ তথা অনুধাৱন কৰিবলৈ "ম'ক পৰীক্ষা"ত বহা উচিত। সক্ৰিয়া হোৱা আসন সংৰক্ষণ পৃষ্ঠাত প্ৰাৰ্থীয়ে তেওঁৰ পৰীক্ষণ কেন্দ্ৰ আৰু পৰীক্ষণ শ্ল'ট সংৰক্ষণ কৰিব আৰু তেওঁলোকৰ সংৰক্ষণ নিশ্চিত কৰিব পাৰে।

(11) প্ৰৱেশ পত্ৰত পৰীক্ষণ কেন্দ্ৰ, পৰীক্ষাৰ সময়, পৰীক্ষণ কেন্দ্ৰৰ ঠিকনা, প্ৰয়োজনীয় টোকা আৰু পৰিশোধৰ বিৱৰণ আদি প্ৰাৰ্থীৰ বাবে উপলব্ধ থাকিব। বৈধতাকৰণ উদ্দেশ্যৰ বাবে প্ৰাৰ্থীয়ে পৰীক্ষাৰ দিনা প্ৰৱেশ পত্ৰৰ সৈতে ই-আধাৰৰ শেহতীয়া প্ৰতিলিপি/প্ৰিন্টআউট লগত লৈ অনাটো বাধ্যতামূলক।

(12) **মাচুল পুনৰ ঘূৰাই নোপোৱাৰ নীতি-** এবাৰ মাচুল পৰিশোধ হোৱাৰ পিছত ইয়াক কোনো কাৰণতে ঘূৰাই পাব নোৱাৰি। যদি পৰিশোধ ব্যৰ্থ হয় তেন্তে পুনৰ ঘূৰাই পোৱাৰ বাবে অথবা নতুন পৰিশোধৰ বাবে অনুগ্ৰহ কৰি uidai_admin@nseit.com লৈ মেইল প্ৰেৰণ কৰক।

(13) **মাচুলৰ বৈধ সময়-** স্বীকৃতিকৰণৰ মাচুলৰ বৈধ সময় পৰিশোধৰ দিনৰ পৰা ১৮০ দিন।

(14) যদি **অনলাইন মাচুল পৰিশোধৰ ১৫ দিনৰ পিছতো** অগ্ৰাধিকাৰযোগ্য কেন্দ্ৰত শ্ল'ট উপলব্ধ নহয় তেন্তে প্ৰাৰ্থীগৰাকীয়ে তেওঁলোকৰ পঞ্জীয়ন আইডি উল্লেখ কৰি uidai_admin@nseit.com লৈ মেইল প্ৰেৰণ কৰিব পাৰে অথবা ইউআইডিএআইৰ মুখ্য কাৰ্যালয়ৰ প্ৰশিক্ষণ, পৰীক্ষণ আৰু স্বীকৃতিকৰণ শাখাত (https://uidai.gov.in/contact-support/contact-directory/uidai-headquarter/training,-testing-certification-division.html) নিষ্পত্তি তথা শ্ল'ট আৱণ্টনৰ বাবে যোগাযোগ কৰিব পাৰে।

(15) বাল্ক অনলাইই পে'মেণ্ট, বাল্ক অনলাইন পঞ্জীয়ন আৰু বাল্ক অনলাইন সূচীভুক্তকৰণৰ বাবে অনুৰোধপ্ৰদানকাৰী পঞ্জীয়ন এজেন্সী/ৰেজিষ্ট্ৰাৰে ইউআইডিএআইৰ মুখ্য কাৰ্যালয়ৰ প্ৰশিক্ষণ, পৰীক্ষণ আৰু স্বীকৃতিকৰণ শাখাত (https://uidai.gov.in/contact-support/contact-directory/uidai-headquarter/training,-testing-certification-division.html) ত যোগাযোগ কৰিব পাৰে।

(16) যিকোনো ধৰণৰ জিজ্ঞাসাৰ বাবে প্ৰাৰ্থীয়ে ০২২-৪২৭০৬৫০০ নম্বৰত পুৱা ৯.৩০ বজাৰ পৰা সন্ধিয়া ৬.০০ বজালৈ (সোমবাৰ-শনিবাৰ) যোগাযোগ কৰিব পাৰে অথবা uidai_admin@nseit.com লৈ লিখিব পাৰে।